স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

...শ বছৰ ☐ সংখ্যা ১৬০ ☐ বৃহস্পতিবাৰ ☐ ২৭ শাওণ ১৯৪৮ শক ☐ ১৪৩৩ ভাস্কৰাব্দ ☐ ১৩ আগষ্ট ২০২৬ চন ☐ VOL-16 ☐ NO-160 ☐ THURSDAY 13 AUGUST 2026 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

**সুপ্ৰভাত**

আজিৰ দিনটোতে—

- বিশ্ব অংগদান দিৱস
- বিশ্ব বাঁওহতীয়া দিৱস
- ১৮৮৮ত টেলিভিছনৰ উদ্ভাৱক জন ল'গী বেয়াৰ্ডৰ জন্ম
- ১৯৬৩ত অভিনেত্ৰী শ্ৰীদেৱীৰ জন্ম
- ২০০৪ত গ্ৰীচৰ এথেন্সত অলিম্পিক ক্ৰীড়া সমাৰোহ
- ১৯৭৫ত ক্ৰিকেটাৰ ছোৱেইব আখতাৰৰ জন্ম

175 Centres in NE
COMPUTER EDUCATION
VOCATIONAL TRAINING
Educating NE, Since 1994
PGDCA Tally Python C++
Robotics Office AI PHP
Teachers' Training | Spoken English
H.O.:Silpukhuri, Above Domino's
97060-79979 97060-79989

## ডিব্ৰুগড়ত শ্ৰুতি শিল্পী সমাজৰ বিশেষ অনুষ্ঠান সম্পন্ন

# 'মানুহে মানুহৰ বাবে' অনুষ্ঠানত ছয়গৰাকী ব্যক্তিক সন্মান

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১২ আগষ্ট ঃ বিশ্ববিশ্ৰুত শিল্পী, ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ জন্ম শত বাৰ্ষিকী উপলক্ষে ডিব্ৰুগড়ৰ আগশাৰীৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান শ্ৰুতি শিল্পী সমাজে ৮ আগষ্টত 'মানুহে মানুহৰ বাবে' শীৰ্ষক এক বিশেষ সন্মান অনুষ্ঠানৰ আয়োজন কৰে। ডিব্ৰুগড় হানুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ সক্ৰিয় সহযোগত মহাবিদ্যালয়খনৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত অনুষ্ঠানত সমাজসেৱা, মানৱসেৱা, শিক্ষা, চিকিৎসা, ফটোগ্ৰাফী আৰু উদ্যোগিতাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ছয়গৰাকী বিশিষ্ট ব্যক্তিক সন্মানিত কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে সন্মানিত ব্যক্তি আৰু অতিথিসকলক গায়ন-বায়ন, বিহু নৃত্য, এনচিচি কেডেট আৰু ঝুমুৰ নৃত্য-গীতেৰে মূল সভাগৃহলৈ আদৰি অনা হয়। শেহতীয়াকৈ উজনি অসমত সংঘটিত ভয়াবহ বানত প্ৰাণ হেৰুওৱা লোকসকলৰ আত্মাৰ সদ্‌গতি কামনা কৰি অনুষ্ঠানৰ আৰম্ভণিতে এক মিনিট মৌনতা পালন কৰা হয়। ইয়াৰ পিছত আকাশবাণীৰ শিল্পী ভুবন গগৈৰ পৰিচালনাত মূৰ্ছনা সংগীত বিদ্যালয়ৰ কণমানি শিল্পীসকলে ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'মানুহে মানুহৰ বাবে' পৰিৱেশন কৰে। ড° ভূপেন হাজৰিকা, জুবিন গাৰ্গ, সমৰ হাজৰিকা আৰু চৈয়দ ছাদুল্লাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। শ্ৰুতি শিল্পী সমাজৰ সভাপতি ড° নৱজ্যোতি গগৈৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে প্ৰখ্যাত অস্থিৰোগ বিশেষজ্ঞ ড° শান্তনু লাহকৰ, কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, বিশিষ্ট কবি, চিকিৎসক ড° প্ৰণয় ফুকন আৰু অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা উপস্থিত থাকে। অনুষ্ঠানত সংগীত শিল্পী হীৰেন গগৈ, পানীতোলাৰ যন্ত্ৰ বিজ্ঞানী সুৰেন বৰুৱা, জ্যোতি বৰগোহাঁই, সুনীল ৰাজকোঁৱৰ, সমাজসেৱী পৱন জৈন, শৰৎ চন্দ্ৰ নেওগ, ঝৰ্ণা শইকীয়া, তৰুণ চন্দ্ৰ গগৈ, চৰ্দাৰ গুৰদীপ সিং, শৈলেন্দ্ৰ কুমাৰ দত্ত, চান্দ গগৈকে ধৰি বহু গণ্য-মান্য ব্যক্তি আৰু কানৈ মহাবিদ্যালয়ৰ বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰী উপস্থিত থকা অনুষ্ঠানত বিশেষ ছয়গৰাকী বিশিষ্ট ব্যক্তিক সন্মান প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰখ্যাত হৃদৰোগ বিশেষজ্ঞ ড° হেমচন্দ্ৰ কলিতাক সমাজ জীৱনলৈ আগবঢ়োৱা অসাধাৰণ অৱদানৰ বাবে 'মানৱতা বঁটা' প্ৰদান কৰা হয়। আনহাতে স্ত্ৰীৰোগ বিশেষজ্ঞ ড° ৰীণা দত্ত আহমেদক চিকিৎসা আৰু মানৱসেৱাৰ ক্ষেত্ৰত আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে 'মানৱ সেৱা বঁটা'ৰে সন্মানিত কৰা হয়। ডিব্ৰুগড়ত কেইবাখনো শিক্ষানুষ্ঠান স্থাপনৰ জৰিয়তে শিক্ষা বিস্তাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা পদ্মশ্ৰী, সমাজসেৱী হনুমানবক্স কানৈক মৰণোত্তৰভাৱে 'জীৱনজৰীয়া সাধনা বঁটা' প্ৰদান কৰা হয়। তেওঁৰ হৈ বঁটা গ্ৰহণ কৰে নাতি, সমাজসেৱী জ্যোতিপ্ৰসাদ কানৈয়ে। বিশিষ্ট দানবীৰ, সমাজসেৱী চিত্ৰজ্যোতি প্ৰসাদ কানৈক সমাজৰ প্ৰতি আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে 'সমাজৰত্ন' উপাধিৰে সন্মানিত কৰা হয়। ডিব্ৰুগড়ৰ বানীপুৰস্থিত টিচিটি ফটোগ্ৰাফী একাডেমীৰ প্ৰতিষ্ঠাপক ড° দেৱাশিস গগৈক ফটোগ্ৰাফীৰ ক্ষেত্ৰত আগবঢ়োৱা বিশেষ অৱদান আৰু উজনি অসমৰ প্ৰথমগৰাকী ফটোগ্ৰাফী ডক্টৰেটধাৰী হিচাপে সন্মানিত কৰা হয়। তিনিচুকীয়াৰ এনচি ফাৰ্নিচাৰৰ স্বত্বাধিকাৰী, যুৱ উদ্যোগী নৱজ্যোতি গগৈক নিজ নিজ কৰ্মক্ষেত্ৰত উল্লেখযোগ্য সাফল্যৰ বাবে 'Shrutis Achievers Award-২০২৬' প্ৰদান কৰা হয়। সন্মানিত ব্যক্তিসকলক ফুলাম গামোচা, চেলেং, জাপি, প্ৰশস্তি-পত্ৰ, ড° ভূপেন হাজৰিকাৰ অৰ্ধমূৰ্তি, সন্মানিত ব্যক্তিৰ চিত্ৰ, শ্ৰুতি শিল্পী সমাজৰ স্মাৰক, কৃতজ্ঞতা-পত্ৰ আৰু আকৰ্ষণীয় স্মৃতিচিহ্ন প্ৰদান কৰা হয়। অনুষ্ঠানৰ আন এক উল্লেখযোগ্য কাৰ্যসূচী আছিল কবি, চিকিৎসক ড° প্ৰণয় ফুকনৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'মই আহিছোঁ' উন্মোচন। প্ৰখ্যাত অস্থিৰোগ বিশেষজ্ঞ ড° শান্তনু লাহকৰে স্মৃতিগ্ৰন্থখন উন্মোচন কৰে। ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থখনত তেওঁৰ জীৱন, কৰ্ম, ব্যক্তিত্ব আৰু মানৱতাবাদী চিন্তাধাৰাক স্মৰণ কৰাৰ প্ৰয়াস কৰা হৈছে। স্মৃতিগ্ৰন্থখনত লেখা আগবঢ়োৱা লেখকসকলৰ লগতে শ্ৰুতি শিল্পী সমাজৰ সৈতে জড়িত শুভাকাংক্ষীসকলকো অনুষ্ঠানত বিশেষভাৱে সন্মানিত কৰা হয়। অনুষ্ঠানৰ সামৰণিত বিভিন্ন শিল্পীয়ে সংগীত, নৃত্য আৰু সাংস্কৃতিক পৰিৱেশনেৰে উপস্থিত দৰ্শকক আপ্লুত কৰে।

